# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 13-09-2025
**Time :** 21-25 Hrs

## ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ অহা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি সন্ধিয়া খানাপাৰাৰ অসম পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেলপথাৰত আয়োজিত সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকীৰ অনুষ্ঠানত অংশগ্ৰহণ কৰে। অনুষ্ঠানত এহেজাৰ ২০০ গৰাকী শিল্পীয়ে বিশ্ববন্দিত শিল্পীগৰাকীৰ কণ্ঠৰ ১৪ টা গীতৰ বচা বচা অংশ সমস্বৰে পৰিৱেশন কৰি নান্দনিক পৰিবেশৰ সৃষ্টি কৰে।

এই অনুষ্ঠানতে শ্ৰীমোদীয়ে ভাৰতীয় ৰিজাৰ্ভ বেংকে জাৰি কৰা ড° ভূপেন হাজৰিকা স্মাৰক ১০০ টকীয়া মুদ্ৰা মুকলি কৰে। প্ৰধানমন্ত্ৰীয়ে এই অনুষ্ঠানতে অসম চৰকাৰৰ তত্বাৱধানত অনুৰাধা শৰ্মা পুজাৰীয়ে সংকলন কৰা ড° ভূপেন হাজৰিকাৰ জীৱনী গ্ৰন্থখন উন্মোচন কৰে। নিজৰ ভাষণত তেওঁ কিংবদন্তি শিল্পীগৰাকীৰ অবিস্মৰণীয় প্ৰতিভাৰ কথা শ্ৰদ্ধাৰে স্মৰণ কৰে। তেওঁ লগতে অসম চৰকাৰৰ এই সুন্দৰ অনুষ্ঠানৰ আয়োজনৰ বাবে ধন্যবাদ জ্ঞাপন কৰে। তেওঁ এই অনুষ্ঠানত উপস্থিত হৈ ধন্য হৈছে বুলি মত প্ৰকাশ কৰে। সংগীতত ভাৰতৰ স্বপ্নক সংযোজন কৰা, গীতেৰে প্ৰৱহমান পবিত্ৰ গংগাৰ পৰা ব্ৰহ্মপুত্ৰ লৈ লহৰ তোলা শিল্পীগৰাকীয়ে মানুহৰ মনৰ সংবেদনশীলতাক প্ৰতিভাত কৰি তুলিছিল বুলি প্ৰধানমন্ত্ৰীয়ে মন্তব্য কৰে। শিল্পীগৰাকীৰ শতবৰ্ষ উদ্‌যাপনৰ জৰিয়তে চৰকাৰে মহান শিল্পীগৰাকীৰ গীত আৰু বিশ্বজনিন চিন্তাধাৰাক বিশ্বৰ প্ৰতিজন মানুহৰ ওচৰলৈ লৈ যোৱাৰ প্ৰয়াস কৰিছে বুলি তেওঁ মন্তব্য কৰে।

আজিৰ অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, অৰুণাচল প্ৰদেশৰ মুখ্যমন্ত্ৰী পেমা খান্দু, সুধাকণ্ঠ ভূপেন হাজৰিকাৰ পুত্ৰ তেজ হাজৰিকা, ভূপেন হাজৰিকাৰ পৰিয়ালৰ সদস্যসকলৰ লগতে অসমৰ সামাজিক সংস্কৃতিক জগতৰ বিশিষ্ট ব্যক্তিসকলে অংশগ্ৰহণ কৰে।

প্ৰধানমন্ত্ৰীয়ে আজি নিশাটো কইনাধৰাৰ ৰাজ্যিক অতিথিশালাত কটাব। এই ভ্ৰমণকালত অসমৰ ১৮ হাজাৰ ৫৩০ কোটি টকা ব্যয়সাপেক্ষে বহুকেইটা প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। তেওঁ কাইলৈ মঙলদৈত প্ৰায় ৫৭৬ কোটি টকা ব্যয়েৰে নিৰ্মাণ কৰিবলগীয়া দৰং চিকিৎসা মহাবিদ্যালয়, এখন জি এন এম স্কুল আৰু এখন নাৰ্ছিং মহাবিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰিব। তেওঁ লগতে ভাৰ্চুৱেল পদ্ধতিৰে প্ৰায় ৭ হেজাৰ কোটি টকা ব্যয়েৰে ব্ৰহ্মপুত্ৰৰ ওপৰত নিৰ্মাণ কৰিবলগীয়া নাৰেঙ্গী-কুৰুৱা সংযোগী দলং আৰু গুৱাহাটী ৰিং ৰোড প্ৰকল্পৰো আধাৰশিলা স্থাপন কৰিব।

প্ৰধানমন্ত্ৰীগৰাকীয়ে কাইলৈ গোলাঘাট জিলাৰ নুমলীগড় শোধনাগাৰত বিশ্বৰ প্ৰথমটো বাঁহভিত্তিক জৈৱ ইথানল প্ৰকল্প উদ্বোধন কৰিব। প্ৰধানমন্ত্ৰীয়ে শোধনাগাৰটোৰ নতুন পলিপ্ৰপিলিন গোটটোৰো আধাৰশিলা স্থাপন কৰিব। এই সন্দৰ্ভত কেন্দ্ৰীয় পেট্ৰলিয়াম মন্ত্ৰী হৰ্দিপ সিং পুৰীয়ে নুমলিগড়ত এখন সংবাদমেল সম্বোধন কৰে।

তেওঁ কয় যে ৫ হাজাৰ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা এই প্ৰকল্পই বছৰি ৫ লাখ টন বাঁহৰ পৰা ৫০ হাজাৰ টন ইথানল উৎপাদন কৰিব।

০০০০০

প্ৰধানমন্ত্ৰীৰ অসম, মণিপুৰ আৰু মিজোৰাম ভ্ৰমণ সন্দৰ্ভত আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে আজি নিশা বিশেষ দৃষ্টিপাত অনুষ্ঠান প্ৰচাৰ কৰে। এই অনুষ্ঠানত জ্যেষ্ঠ সাংবাদিক মনীষ গোস্বামী আৰু এমট্ৰনৰ পৰামৰ্শদাতা বসন্ত বৰঠাকুৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি সুধাকণ্ঠৰ শতবৰ্ষ উদযাপনৰ অনুষ্ঠানত দিয়া ভাষণৰ লগতে তেওঁৰ ভ্ৰমণসূচীত আলোকপাত কৰে। শ্ৰীমোদীয়ে ৰাজ্যখনৰ যোগাযোগ আৰু পৰিবহনৰ ক্ষেত্ৰত আৰোপ কৰা গুৰুত্বৰ লগতে কাইলৈ নুমলিগড়ত শুভাৰম্ভ কৰিবলগীয়া বাঁহ ভিত্তিক জৈৱ ইথানল প্ৰকল্পৰ বিষয়ে তেওঁলোকে আলোকপাত কৰে। তেওঁলোকে কয় যে বাঁহৰ পৰা ইথানল উৎপাদন কৰিবলগীয়া এয়া বিশ্বৰ প্ৰথমটো প্ৰকল্প আৰু এই প্ৰকল্পৰ জৰিয়তে অসম অৰ্থনৈতিক ক্ষেত্ৰত লাভান্বিত হোৱাৰ সম্ভাৱনা আছে। পথ অভিযান্ত্ৰিক বিষয়ৰ পৰামৰ্শদাতা ত্ৰিদীপ চাংমাইয়ে টেলিফোনযোগে অনুষ্ঠানত অংশ লৈ প্ৰধানমন্ত্ৰীয়ে আধাৰশিলা স্থাপন কৰিবলগীয়া নাৰেঙ্গী - কুৰুৱা সংযোগী দলং আৰু গুৱাহাটী ৰিং ৰোডৰ প্ৰকল্পৰ বিষয়ে উল্লেখ কৰে। তেওঁ কয় যে এটা ঠিকাদাৰী প্ৰতিষ্ঠানে ৰূপায়ণ কৰিবলগীয়া নাৰেঙ্গী কুৰুৱা সংযোগী প্ৰকল্পটো ৪ বছৰৰ ভিতৰত সম্পূৰ্ণ কৰাৰ লক্ষ্য লোৱা হৈছে। অনুষ্ঠানৰ আঁত ধৰি আকাশবাণী বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰে প্ৰধানমন্ত্ৰী মোদীয়ে আজিৰ অনুষ্ঠানত অংশ লৈ অভিভূত হোৱা বুলি কৰা মন্তব্যৰ বিষয়ে উল্লেখ কৰে। আকাশবাণীৰ ইম্ফলৰ সংবাদদাতাগৰাকীয়ে টেলিফোনযোগে সংযুক্ত হৈ আজি প্ৰধানমন্ত্ৰীৰ মণিপুৰ ভ্ৰমণৰ ইতিবাচক দিশ সম্পৰ্কে মন্তব্য কৰে।

০০০০০

কৰ্কট ৰোগ প্ৰতিৰোধৰ বাবে বৰপেটাৰ জিলাৰ কৰ্কট কেন্দ্ৰত এইছ্ পি ভি নামৰ প্ৰতিষেধক প্ৰদান কাৰ্যসূচী গ্ৰহণ কৰা হয়। কেন্দ্ৰটোৰ চিকিৎসা সঞ্চালক ডাঃ অপূৰ্ব কলিতাই এই কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। এই প্ৰতিষেধকৰ জৰিয়তে মহিলাৰ জৰায়ু কৰ্কট ৰোগ বিশেষভাৱে প্ৰতিৰোধ কৰিব পৰা যাব বুলি সঞ্চালকগৰাকীয়ে প্ৰকাশ কৰিছে। পুৰুষকো এই প্ৰতিষেধক প্ৰদান কৰা হ'ব বুলিও তেওঁ কয়। এই প্ৰতিষেধকৰ জৰিয়তে মুখগহ্বৰকে ধৰি আন কেইবাবিধো কৰ্কট ৰোগ প্ৰতিৰোধ কৰিব পাৰিব বুলি ডাঃ কলিতাই প্ৰকাশ কৰে। উল্লেখযোগ্য যে ৯ বছৰৰ পৰা ১৪ বছৰ বয়সৰ কিশোৰ-কিশোৰীয়ে ছমাহৰ বিৰতিত দুপালি প্ৰতিষেধক ল'ব লাগিব। আনহাতে, ১৪ বছৰৰ পৰা ২৬ বছৰৰ ভিতৰৰ লোকসকলে ছমাহৰ বিৰতিত তিনি পালিকৈ এই প্ৰতিষেধক ল'ব লাগিব।

০০০০০

গোৱালপাৰা জিলাৰ আগিয়াৰ জে এন মেম'ৰিয়েল উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত আজিৰে পৰা ছহীদ নিধানুৰাম ৰাজবংশী ফুটবল প্ৰতিযোগিতা অনুষ্ঠিত হয়। বঙাইগাঁৱৰ মাটিয়া ফুটবল দল আৰু কৃষ্ণাইৰ হাৰীমুৰা ফুটবল দলৰ মাজত প্ৰতিযোগিতাৰ প্ৰথমখন খেল অনুষ্ঠিত হয়। উদ্বোধনী খেলত মাটিয়া ফুটবল দলে হাৰীমুৰা দলটোক পৰাজিত কৰি পৰৱৰ্তী ৰাউণ্ডত প্ৰবেশ কৰে।

০০০০০

ঃঃ সমাপ্ত ঃঃ